Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দশম শ্ৰেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)

পাঠ - ৬

উদ্যোগী হওঁ আহাঁ



এটা খড়গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

অংশ - ২

অংগৰাগ ভূঞা

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- উদ্যোগী পুৰুষ সিংহৰ সমান, এলেহুৱা কাপুৰুষৰ নিচান।
- এজন উদ্যোগী অর্থাৎ আন্ট্রাপিনিওৰ আৰু কৰ্মহীন নিবনুৱাৰ মাজত থকা ক্ষুদ্র ব্যৱধান হ'ল এলাহ।
- এজন সফল উদ্যোগী হ'বৰ বাবে লাগিব ধৈর্য্য, একাগ্রতা, নিয়মানুবর্তিতা, সময়ানুবর্তিতা, আত্মবিশ্বাস আৰু হাৰ নমনা মনোবৃত্তি।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

অসমত স্বাস্থ্য খণ্ডত সেৱা আগবঢ়াই, হস্পিতেল খুলি কৃতকার্য্য উদ্যোগী হোৱা GNRC HOSPITAL ৰ স্বত্বাধিকাৰী শ্রী নোমল চন্দ্র বৰা, DOWN TOWN HOSPITAL ৰ স্বত্বাধিকাৰী শ্রী নৰেন্দ্র নাথ দত্ত, NEMCARE HOSPITAL ৰ স্বত্বাধিকাৰী শ্রী হিতেশ বৰুৱা প্রত্যেকেই একো একো গৰাকী চিকিৎসক। এনেদৰে অসম এয়াৰ প্রডাক্টছ, প্রিমিয়াৰ ক্রায়জেনিক আদি উদ্যোগৰ স্বত্বাধিকাৰী শ্রী অভিজিৎ বৰুৱা আৰু প্রখ্যাত গৃহ নির্মাণকাৰী বা বিল্ডাৰ শ্রী জে. এন. খাটনিয়াৰ একো একো গৰাকী অভিযন্তা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মেনেজমেন্ট শাস্ত্ৰৰ গুৰু পিটাৰ ড্ৰাকাৰে কৈ গৈছে যে "জ্ঞান ভিত্তিক অৰ্থনীতিত সেইসকল লোকেই কৃতকাৰ্য্যতা লাভ কৰিব, যি নিজকে বুজি পায়, নিজৰ শক্তি আৰু মূল্য জানি সৰ্বোত্তম পৰিৱেশন (Performance) কৰে"।

এজন উদ্যোগী হোৱা যিমান সহজ, সফল হোৱাটো কিন্তু সিমান সহজ নহয়। প্ৰথম অৱস্থাত এজন উদ্যোগীয়ে জোতা চিলাইৰ পৰা চণ্ডী পাঠ সকলো কৰিবলৈ সাজু থাকিব লাগিব। লগতে সৰুতে চাইকেল শিকাৰ দৰে পৰি উঠিবলৈও সাজু থাকিব লাগিব।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ধৈর্য্যশীলতা

বাৰু তোমালোকে টমাচ আলভা এডিচনৰ নাম শুনিছানে? হয় ছাৰ শুনিছোঁ।

বিখ্যাত বৈজ্ঞানিক টমাচ আলভা এডিচনে ইলেকট্রিক বাল্ব তৈয়াৰ কৰোঁতে বাৰে বাৰে বিফল হৈ মন্তব্য কৰিছিল "মই বিফল হোৱা নাই। মাত্র বুজিলোঁ যে ১০০০০ ধৰণে ই কাম নকৰে"। এপল কোম্পানীৰ সহ প্রতিষ্ঠাপক ষ্টিভ জবছৰ মতে এজন সফল আৰু এজন বিফল উদ্যোগীৰ মাজৰ ব্যৱধান মাথোঁ ধৈর্য্যশীলতা (perseverance)।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

১৮৭৬ খৃষ্টাব্দত এজন ডেকাই এটা যন্ত্ৰ উদ্ভাৱন কৰি তেওঁক সহায়ৰ হাত আগবঢ়াবলৈ বহুতো লোকৰ কাষ চাপিল যদিও সকলোৱে তেওঁক নিৰাশ কৰিলে। অৱশেষত তেওঁ আমেৰিকাৰ ৰাষ্ট্ৰপতি ৰাডাৰফৰ্ডৰ সন্মুখত তেওঁৰ আৱিষ্কাৰ প্ৰদৰ্শন কৰিলে। ৰাডাৰফৰ্ডে যন্ত্ৰটো চাই মন্তব্য কৰিলে "এইটো এটা আচৰিত আৱিষ্কাৰ। কিন্তু এইটো কোনে ব্যৱহাৰ কৰিব বা কোনে ল'ব?" সেই ডেকাজনেই আছিল আলেকজেণ্ডাৰ গ্ৰাহাম বেল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

১৯৮০ চনত আন এজন আৱিষ্কাৰক চেষ্টাৰ কার্লচনে নিজৰ আৱিষ্কাৰ ২০টা কোম্পানীৰ আগত প্ৰদৰ্শন কৰি ভাগৰি পৰিল আৰু কোনেও তেওঁৰ আৱিষ্কাৰ গ্ৰহণ কৰিবলৈ মান্তি নহ'ল। সাতবছৰৰ পাচত ১৯৮৭ চনত নিউইৰ্য়কৰ হেলয়ড নামৰ এটা সৰু কোম্পানীয়ে তেওঁৰ আৱিষ্কাৰৰ স্বত্ব কিনিবলৈ মান্তি হয়। পৰবৰ্তী সময়ত হেলয়ড কোম্পানী জেৰক্স ক'ৰপৰেচন নামে জনাজাত হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আজিও বহুতে চিঠি পত্রৰ মেচিনত কৰা ফটো কপিক জেৰক্স বুলিয়েই কয়। বিল গেটছৰ মতে উদ্যোগীসকলৰ বাবে সকলোতকৈ গুৰুত্বপূর্ণ আৰু সংঘাতৰ অধ্যায় হ'ল বিক্রী কৰা। বস্তু এটা বনোৱাটো সহজ হ'লেও বজাৰত নতুন বস্তু এটা বিক্রী কৰা সহজ নহয়। যোগাযোগ (communication) বা উপস্থাপন (presentation) ভাল নোহোৱাৰ বাবে বহুতো ভাল বস্তু বজাৰত বিক্রী নহয়। গতিকে বিক্রী কৰা কৌশল (marketing skill) এজন উদ্যোগীৰ বাবে অতিকে গুৰুত্বপূর্ণ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

'ছাৰ, উদ্যোগী হ'বৰ বাবে কিমান মূলধনৰ প্ৰয়োজন?' অৰ্জুনে সুধিলে।

'বহুতৰে ধাৰণা যে উদ্যোগী হ'বৰ বাবে বহুতো মূলধনৰ প্ৰয়োজন। কিন্তু ভাৰতৰ সৰ্বতোকালৰ এজন সফল উদ্যোগী ধীৰুভাই আম্বানীৰ হাতত মূলধনো নাছিল নতুবা তেওঁৰ ভাল শিক্ষাগত অৰ্হতাও নাছিল। মেট্ৰিকতে শিক্ষা সমাপ্ত কৰা ধীৰুভায়ে প্ৰথমে পেট্ৰল ডিপোত তেল ভৰোৱা কাম কৰিছিল আৰু নিজৰ কামৰ বাবে ডিপোটোৰ মেনেজাৰ পদলৈ পদোন্নতি লাভ কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কিন্তু উদ্যোগী হৈ নিজকে প্ৰতিষ্ঠা কৰাৰ দুৰ্বাৰ হাবিয়াসৰ বাবে তেওঁ চাকৰি বাদ দি বাৱসায় কৰিবৰ বাবে সিদ্ধান্ত ল'লে। 'মন কৰিলে চন, বাকৰি মাটিতে ধন'। নিজৰ মূল ধন নথকা বাবে তেওঁ আমাৰ অসমীয়াৰ ফকৰা যোজনা "তোমাৰ বাৰীৰে বাঁহ গাজ আনি তাৰে কৰিছোঁ খৰিচা, তোমাতে সলাই ধানদোন লৈছোঁ কথাটো মন কৰিছা" সঠিক ভাবে প্ৰয়োগ কৰিলে। বাৱসায়ৰ বাবে ৰাইজৰ পৰা ধন লৈ কাপোৰ তৈয়াৰ কৰি পুনৰ ৰাইজকে বেচি মুনাফা আৰ্জন কৰি তাৰ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

লাভাংশৰ ভাগ অংশীদাৰসকলৰ মাজতো বিতৰণ কৰিলে। মূলধনৰ অভাব উদ্যোগী হোৱাৰ কেতিয়াও অন্তৰায় বা বাধা হ'ব নোৱাৰে। উইলিয়াম চেক্সপীয়েৰে কৈছিল "আমাৰ ভাগ্য (destiny) গ্ৰহ নক্ষত্ৰই নিৰূপণ নকৰে, ই আমাৰ নিজৰ ভিতৰত থাকে"। কোনো এজন ব্যক্তি দুখীয়া হে জন্ম ল'লে বুলিয়েই আজীৱন তেওঁ দুখীয়া আৰু অকৃতকার্য্য হৈয়ে থাকিব লাগিব বুলি কোনো কথা নাই।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বিশ্ববিখ্যাত উদ্যোগী তথা মাইক্রচফ্টৰ প্রতিষ্ঠাতা বিল গেটচ্চে সেয়ে কৈছে "আপুনি যদি দুখীয়া হৈ জন্ম হৈছে সেয়া আপোনাৰ ভুল নহয়, কিন্তু আপুনি যদি দুখীয়া হৈ মৰে সেয়া আপোনাৰ ভুল।" পেট্রল পাম্পৰ চাকৰি বাদ দি মুম্বাইৰ এটা ৩৫০ বর্গফুটৰ কোঠাৰ পৰা ধীৰুভাই আম্বানীয়ে কাপোৰৰ ব্যৱসায় আৰম্ভ কৰে। কোঠাটোত সম্বল ৰুলিবলৈ এখন টেবুল, তিনিখন চকী আৰু এটা টেলিফোন। তাৰ পৰাই তেওঁ "ৰিলায়েঞ্চ কমাৰচিয়েল কর্পোৰেচন" স্থাপন কৰে

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আৰু পৰবৰ্তী সময়ত ইয়েই বিখ্যাত ৰিলায়েঞ্চ ইন্ডাষ্ট্ৰীজ হয়গৈ। ধীৰুভাই আম্বানীয়ে কৈছিল "নতুন ধাৰণা বা চিন্তাৰ ওপৰত কাৰো একাধিপত্য নাই। ডাঙৰকৈ হোৱাৰ গুণ জন্মগত আৰু উদ্যোগী গঢ়িব নোৱাৰি। কিন্তু এই ধাৰণা এক ভ্ৰান্ত ধাৰণা। উপযুক্ত প্ৰশিক্ষণ আৰু অভিৰোচন (motivation) ৰ দ্বাৰা উদ্যোগী গঢ়ি তুলিব পাৰি। ইয়াৰ বাবে কেৱল এজন ব্যক্তিৰ থাকিব লাগিব আত্ম বিশ্বাস, ইচ্ছাশক্তি, আগ্ৰহ, দক্ষতা, স্বাধীনচিতিয়া আৰু সৃষ্টিশীল মন।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

লগতে মনত ৰাখিব লাগিব যে ভুকুতে কলটো নপকে।'- ছাৰে উত্তৰ দিলে।

"ছাৰ! উদ্যোগী হ'বলৈ বিচৰা ব্যক্তিসকলৰ প্রশিক্ষণৰ কিবা ব্যৱস্থা আছেনে?" নিশামণিয়ে সুধিলে। নিশ্চয় আছে! ছাৰে ক'লে। উদ্যোগীসকলক প্রশিক্ষণ দিবৰ বাবে ভাৰত চৰকাৰৰ Indian Institute of Entrepreneurship (IIE) নামৰ সংস্থাৰ শাখা ভাৰতৰ প্রতিখন ৰাজ্যতে আছে। লগতে Startup India আঁচনিৰ জৰিয়তে উদ্যোগীসকলক আৰম্ভণি কৰিবৰ বাবে

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মূলধন, কাৰিকৰী সহায় (Technical support) দিয়াৰ লগতে প্ৰশিক্ষণৰো ব্যৱস্থা আছে। বৰ্তমান চৰকাৰে আত্মনিৰ্ভৰশীল হোৱাৰ আগ্ৰহী যুৱসকলৰ বাবে বিভিন্ন আঁচনিও জাৰি কৰিছে। উদাহৰণ স্বৰূপে মুদ্ৰা ঋণ আঁচনি। এই আঁচনিৰ জৰিয়তে মূলধন নাথাকিলেও কোনো এজন উদ্যোগী লোকে ব্যৱসায় আৰম্ভ কৰিব পাৰে। চৰকাৰে তেনে ধৰণৰ লোকৰ বাবে এই আঁচনিৰ জৰিয়তে কোনো ধৰণৰ বন্ধকী অথবা মৰ্টগেজ নথকাকৈয়ে বেংকৰ ঋণৰ ব্যৱস্থা অতি কম সুদত দিয়াৰ ব্যৱস্থা কৰিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

এই আঁচনিৰ জৰিয়তে বহুতো উদ্যোগী ডেকাই উন্নতিও লাভ কৰিছে। সেইদৰে বিভিন্ন বিনিয়োগকাৰীৰ জৰিয়তেও ব্যৱসায় তথা উদ্যোগৰ বাবে ঋণৰ ব্যৱস্থা আছে।

আজিকালি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ লগতে সহায় কৰিবৰ বাবে সৰহ সংখ্যক মহাবিদ্যালয়, বিশ্ববিদ্যালয়, অভিযান্ত্রিক মহাবিদ্যালয়তে উদ্যোগী কোষ (entrepreneur cell) গঠন কৰা হৈছে আৰু এই কোষসমূহে নিয়মিত ভাবে কর্মশালা, প্রশিক্ষণ আদিৰ আয়োজন কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সেয়েহে ছাত্ৰ অৱস্থাৰে পৰা কেৱল চাকৰিৰ আশাত পঢ়াৰ পৰিৱৰ্তে সমান্তৰালভাৱে এই কৰ্মশালা প্ৰশিক্ষণ আদিত যোগদান কৰি নিজকে উদ্যোগী হিচাবে মানসিক ভাবে প্ৰস্তুত কৰি ৰখা উচিত।

জন বিস্ফোৰণৰ বাবে চৰকাৰে সকলোকে চাকৰি দিয়া অসম্ভব। প্ৰতি দহজন ছাত্ৰৰ মাত্ৰ এজনেহে হয়তো চৰকাৰী চাকৰি পাব, কিছু সংখ্যকে বেচৰকাৰী খণ্ডত চাকৰি পাব, সৰহ সংখ্যকে কিন্তু উদ্যোগী হৈ নিজৰ জীবিকা আৰ্জন কৰিব

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

লাগিব। গতিকে ছাত্ৰ-ছাত্ৰী সকলে সোনকালে নিজকে মানসিক ভাবে প্ৰস্তুত কৰি তাৰ বাবে প্ৰস্তুত হ'লে সেয়া নিজৰ বাবে আৰু সমাজৰ বাবে মংগলজনক।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পাঠবোধ

শিক্ষার্থীৰ মনত এগৰাকী সফল উদ্যোগী হ'বলৈ হ'লে সৰুৰে পৰা কেনে হ'ব লাগিব, বিষয়ে এটা ধাৰণা দিয়াই এই পাঠৰ মূল উদ্দেশ্য। এই পাঠৰ জৰিয়তে এজন সফল উদ্যোগী হ'বৰ বাবে যে মানুহৰ ধৈর্য্য, একাগ্রতা, নিয়মানুবর্তিতা, সময়ানুবর্তিতা, আত্মবিশ্বাস আৰু হাৰ নমনা মনোবৃত্তিৰ প্রয়োজন সেই কথা ছাত্র-ছাত্রীসকলে উপলব্ধি কৰিব পাৰিব।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। GNRC HOSPITAL ৰ স্বত্বাধিকাৰীজনৰ নাম কি?

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। GNRC HOSPITAL ৰ স্বত্বাধিকাৰীজনৰ নাম শ্ৰী নোমল চন্দ্ৰ বৰা।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



২। এপল কোম্পানীৰ সহ প্ৰতিষ্ঠাপক ষ্টিভ জবছৰ মতে এজন সফল আৰু এজন বিফল উদ্যোগীৰ মাজৰ ব্যৱধান মাথোঁ _____

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



২। এপল কোম্পানীৰ সহ প্ৰতিষ্ঠাপক ষ্টিভ জবছৰ মতে এজন সফল আৰু এজন বিফল উদ্যোগীৰ মাজৰ ব্যৱধান মাথোঁ ধৈর্য্যশীলতা।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



৩। বিল গেটছৰ মতে উদ্যোগীসকলৰ বাবে সকলোতকৈ গুৰুত্বপূর্ণ আৰু সংঘাতৰ অধ্যায় হ'ল _____।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



৩। বিল গেটছৰ মতে উদ্যোগীসকলৰ বাবে সকলোতকৈ গুৰুত্বপূর্ণ আৰু সংঘাতৰ অধ্যায় হ'ল বিক্ৰী কৰা।